# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2025
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোটে ১২ ডিচেম্বৰত আদালতত অভিযোগনামা দাখিল কৰিব। বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই আজি উলুবাৰীত থকা চি আই দিৰ কাৰ্যালয়ত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ১৮/২০২৫ নম্বৰত এটা গোচৰ ৰুজু হৈছিল। এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত বুলি তেওঁ উল্লেখ কৰে। অভিযোগনামাৰ জৰিয়তে গোচৰৰ সকলো তথ্য আদালতত দাখিল কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ঘটনা সন্দৰ্ভত বৰ্তমানলৈ ৭ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে এই পৰ্যন্ত তিনিশৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে বুলি তেওঁ কয়।

বাইট ঃ মুন্না

০০০০০০০

ইণ্ডিগ' এয়াৰলাইনছৰ বিমান সেৱাত হোৱা খেলিমেলিৰ বাবে দেশৰ অন্য প্ৰান্তৰ লগতে গুৱাহাটীৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰতো যাত্ৰীসকলে আজিও চৰম অসুবিধাৰ সন্মুখীন হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাজ্যৰ ৮ গৰাকী প্ৰতিভাৱান বেডমিণ্টন খেলুৱৈ ইণ্ডিগো বিমান বাতিল হোৱাৰ পৰিপ্ৰেক্ষিতত ৮ ডিচেম্বৰৰ পৰা গুজৰাটত হ'বলগীয়া ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ পৰা বঞ্চিত হ'বলগীয়া হয়। ইপিনে, অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে ইণ্ডিগো এয়াৰলাইনছক কাইলৈ নিশা ৮ বজাৰ ভিতৰত বাতিল হোৱা বা বিলম্ব হোৱা সকলো বিমানৰ টিকটৰ ধন যাত্ৰীসকলক ঘূৰাই দিবলৈ নিৰ্দেশ দিছে। ইয়াৰ উপৰিও বিমান বাতিল বা বিলম্ব হোৱাৰ বাবে যিসকল যাত্ৰীৰ বয়বস্তু তথা সামগ্ৰী যাত্ৰীৰ পৰা পৃথক হৈ গৈছে, সেইবিলাকো অহা ৪৮ ঘণ্টাৰ ভিতৰত প্ৰতিজন যাত্ৰীক যথাস্থানত উপলব্ধ কৰাবলৈ মন্ত্ৰালয়ে নিৰ্দেশ দিছে।

০০০০০০০

ৰাজ্যৰ জাতীয় জীৱনৰ এগৰাকী পুৰোধা ব্যক্তি হোমেন বৰগোহাঁঞিৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি কাইলৈ ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান কৰা হ'ব। কাইলৈ কটন বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত এই বঁটা আৰু পেঞ্চন প্ৰদান কৰা হ'ব। এইবাৰ মুঠ ১৮ গৰাকী সাহিত্যিকে সাহিত্য বঁটা লাভ কৰাৰ লগতে ১০ গৰাকী সাহিত্যিকলৈ সাহিত্য পেঞ্চন আগবঢ়োৱা হৈছে। দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

২০২৫ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড০ সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে।

সাহিত্যিকসকলক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হ'ব। ইপিনে, সাহিত্য পেঞ্চন লাভ কৰাসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব।

০০০০০০০

অসম বিধানসভাৰ সমাগত নিৰ্বাচনৰ বাবে আজি ডিব্ৰুগড়ত নিৰ্বাচনী ইস্তাহাৰৰ অগ্ৰগতি সম্পৰ্কে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পবন সিং ঘাটোৱাৰ, সাংসদ প্ৰদ্যুৎ বৰদলৈ, প্ৰাক্তন মন্ত্ৰী পৃথবী মাঝী, প্ৰণতি ফুকনকে ধৰি অন্যান্য কংগ্ৰেছ কৰ্মীসকল উপস্থিত থাকে। সংবাদমেলত গৌৰৱ গগৈয়ে কয় যে ডিব্ৰুগড়ৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছে ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ ৰণনীতি আৰম্ভ কৰিছে। তেওঁ কয় যে অতি কম দিনৰ ভিতৰতে আলোচনামৰ্মে মিত্ৰতাৰ বিষয়টো চূড়ান্ত কৰা হ'ব। লগতে শ্ৰীগগৈয়ে কয় যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰে সৰল স্থিতি লব পৰা নাই, বাকী কোনো জনজাতিৰ অসুবিধা নোহোৱাকৈ চৰকাৰী প্ৰতিবেদন দাখিল কৰিব লাগে বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০

খ্যাতনামা জলবায়ু বিজ্ঞানী তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত সংযুক্ত শান্তিস্বৰূপ ভাটনাগৰ বঁটা প্ৰাপক অধ্যাপক ভূপেন্দ্ৰনাথ গোস্বামীলৈ এ আৰ আই এন ই এফ প্ৰধানমন্ত্ৰী প্ৰফেচৰশ্বিপ আগবঢ়োৱা হৈছে। অনুসন্ধান নেচনেল ৰিচাৰ্ছ ফাউণ্ডেচনৰ বিষয়া ড০ শিৱকুমাৰ কল্যাণ ৰমনে এই কথা ঘোষণা কৰিছে। দেশৰ শ্ৰেষ্ঠ অৱসৰপ্ৰাপ্ত বিজ্ঞানী, অভিজ্ঞ গৱেষক আৰু উদ্যোগ বিশেষজ্ঞসকলক গৱেষণামুখী বিশ্ববিদ্যালয়সমূহত নিযুক্ত কৰাই এই প্ৰফেচৰশ্বিপৰ মূল উদ্দেশ্যে। উল্লেখযোগ্য যে দেশৰ শীৰ্ষ বিজ্ঞানী, জ্যেষ্ঠ অধ্যাপক আৰু কেইবাখনো ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ পূৰ্বৰ পৰিচালকক এই প্ৰফেচৰশ্বিপ প্ৰদান কৰা হৈছে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলি থকা তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি বিশাখাপট্টনমত অনুষ্ঠিত অন্তিমখন খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি এদিনীয়া শৃংখলা দখল কৰে। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ভাৰতক জয়ৰ বাবে ২৭১ ৰাণৰ লক্ষ্য বান্ধি দিছিল। দক্ষিণ আফ্ৰিকাৰ অপেনাৰ কুইণ্টন ডিককে ১০৬ আৰু টেম্বা বাবুমাই ৪৮ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ অপেনাৰ যশস্বী জয়ছোৱালে ১১৬ ৰান আৰু বিৰাট কোহলীয়ে ৬৫ ৰান কৰি অপৰাজিত হৈ থাকে আৰু আনজন অপেনাৰ ৰোহিত শৰ্মা ৭৫ ৰান কৰি আউট হয়।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**